# গৌহাটী উচ্চ ন্যায়ালয়

(অসম, নাগালেণ্ড, মিজোৰাম আৰু অৰুণাচল প্ৰদেশৰ উচ্চ ন্যায়ালয়)

২০২৪ চনৰ ফৌজাদাৰী পুনৰীক্ষণ আবেদন (আই অ') ২১৪

ৰাকেশ শৰ্মা আৰু অন্য এজন

পুত্ৰ- প্ৰয়াত কাঞ্চন শৰ্মা,

ঠিকনা- ঘৰ নং ২৫, পিএনজি পথ, শান্তিপুৰ হিলচাইদ

বাই লেন নং ১,

ডাকঘৰ আৰু আৰক্ষী থানা: ভৰলুমুখ, গুৱাহাটী-০৯

২: মেছাৰ্চ লক্ষ্মী মটৰ ৱৰ্কচ

ইয়াৰ মালিক শ্ৰী ৰাকেশ শৰ্মাই প্ৰতিনিধিত্ব কৰা এটা মালিকানাধীন প্ৰতিষ্ঠান

ইয়াৰ কাৰ্যালয় আৰু ব্যৱসায়ৰ প্ৰধান স্থান এ টি ৰোড

শান্তিপুৰ গুৱাহাটী-০৯

বনাম

স্বৰাজ চৌধুৰী আৰু আন ২ জন

পুত্ৰ- শ্ৰী নাগেশ্বৰ চৌধুৰী,

ঠিকনা- ৰিহাবাৰী ঘৰ নং. ৬৫, অন্নপূৰ্ণা এনক্লেভ,

থানা- পল্টনবজাৰ, গুৱাহাটী-০৮

২: শ্ৰীমতি বীনা চৌধুৰী

স্বামী- শ্ৰী নাগেশ্বৰ চৌধুৰী

ঠিকনা- ঘৰ নং. ৬৫ অন্নপূৰ্ণা এনক্লেভ

থানাঃ পল্টনবজাৰ গুৱাহাটী-০৮

৩:দিগন্ত দাস

পুত্ৰ- প্ৰয়াত ভুনেশ্বৰ দাস

ঠিকনা-- শান্তিপুৰ এ টি ৰোড

ডাকঘৰ আৰু আৰক্ষী থানা: ভৰলুমুখ গুৱাহাটী-০৯

# মহামান্য ন্যায়াধীশ: সঞ্জয় কুমাৰ মেধি

আবেদনকাৰীসকলৰ বাবে : শ্ৰী এছ পি ৰয়, অধিবক্তা,

শ্ৰীমতী পি দে, অধিবক্তা, আৰু শ্ৰীমতী পি আগৰৱালা, অধিবক্তা।

উত্তৰদাতাসকলৰ বাবে : শ্ৰী আৰ কে বুয়ান, অধিবক্তা আৰু শ্ৰী এম কাশ্যপ, অধিবক্তা।

শুনানিৰ তাৰিখ : ২৭.০৬.২০২৪

ৰায়দানৰ তাৰিখ : ২৭.০৬.২০২৪

## ৰায় আৰু আদেশ

আবেদনকাৰীসকলৰ বিদ্বান অধিবক্তা শ্ৰী এছ পি ৰয়ৰ যুক্তি শুনা হ'ল৷ লগতে উত্তৰদাতা ১ আৰু ২ ৰ হৈ হাজিৰ হোৱা তথা কেভিয়েট দাখিল কৰা অধিবক্তা শ্ৰী আৰ কে ভূঞাৰ যুক্তি শুনা হ'ল৷

২) বিষয়বস্তুৰ প্ৰতি লক্ষ্য ৰাখি আবেদনখন প্ৰাৰম্ভিক পৰ্যায়ত তৎকালীনভাৱে নিষ্পত্তি কৰাৰ সিদ্ধান্ত লোৱা হ'ল৷

৩) বিবিধ (জে) গোচৰ নং ৪৭৮/২০২৪ত গৃহীত ০৩.০৬.২০২৪ তাৰিখৰ আদেশক প্ৰত্যাহ্বান জনাই ভাৰতীয় সংবিধানৰ ২২৭ নং দফাৰ অধীনত এই আৱেদন দাখিল কৰা হৈছে৷ প্ৰত্যাহ্বান জনোৱা আদেশটো আন এটা গোচৰৰ সৈতে জড়িত, বিশেষভাৱে বিবিধ আপীল নং ০৮/২০২৪, যিটো গুৱাহাটী, কামৰূপ (মেট্ৰ')ৰ ৩ নং আদালতৰ জ্যেষ্ঠ দেৱানী ন্যায়াধীশে বিচাৰ কৰিছিল৷

৪) পূৰ্বতে উল্লেখ কৰা ০৩.০৬.২০২৪ তাৰিখৰ আদেশ অনুসৰি স্থগিতাদেশৰ প্ৰাৰ্থনা নাকচ কৰা হৈছে আৰু বিবিধ (জে) গোচৰ নং ৪৭৮/২০২৪ নিষ্পত্তি কৰা হৈছে।

৫) ২০২৪ চনৰ ২০ মে 'ত গুৱাহাটীৰ কামৰূপ (মেট্ৰ ')-ৰ ১ নং আদালতৰ কনিষ্ঠ দেৱানী ন্যায়াধীশে জাৰি কৰা আদেশক প্ৰত্যাহ্বান জনাই আবেদন দাখিল কৰিছে। সেই আদেশত ন্যায়াধীশে গোচৰটোত ১ আৰু ২ নম্বৰৰ উত্তৰদাতাসকলে অনুৰোধ কৰা নিষেধাজ্ঞা আংশিকভাৱে মঞ্জুৰ কৰিছিল।

৬) গোচৰটোৰ বাদীও হোৱা আবেদনকাৰীসকলে আইনী পদ্ধতি সঠিকভাৱে পালন নকৰাকৈয়ে মূলতঃ ৩ আৰু ৪ নং উত্তৰদাতাৰ বিৰুদ্ধে তেওঁলোকৰ উচ্ছেদ ৰোধ কৰিবলৈ স্থায়ী নিষেধাজ্ঞা বিচাৰি গোচৰ তৰে। গোচৰটোৰ আন এটা বিষয় আছিল ১ আৰু ২ নং উত্তৰদাতাক কোনো নিৰ্দিষ্ট অঞ্চলত বাহন ৰখাই থোৱাটো বন্ধ কৰাৰ অনুৰোধ। ২০২৪ চনৰ ১৬ ফেব্ৰুৱাৰীত বিচাৰ আদালতে অস্থায়ী নিষেধাজ্ঞা ( ad interim injunction) জাৰি কৰি আবেদনকাৰীৰ সম্পত্তিৰ শান্তিপূৰ্ণ দখলত বিপৰীত পক্ষক হস্তক্ষেপ নকৰিবলৈ আৰু গেৰেজৰ সন্মুখত বাহন ৰখাবলৈ বাধা প্ৰদান কৰে। এই অস্থায়ী আদেশ পৰৱৰ্তী শুনানিৰ তাৰিখলৈকে কাৰ্যকৰী আছিল। বিপৰীত পক্ষই নিষেধাজ্ঞাৰ বিৰুদ্ধে আপত্তি কৰিছিল , আৰু পিছলৈ ১ আৰু ২ নং উত্তৰদাতাই নিজাকৈ নিষেধাজ্ঞাৰ আবেদন দাখিল কৰিছিল। ২০২৪ চনৰ ২০ মে 'ত জাৰি কৰা একক আদেশত আদালতে দুয়োখন নিষেধাজ্ঞা আবেদন একেলগে বিবেচনা কৰি সিদ্ধান্ত লয় আৰু সেই আদেশত তলত উল্লেখ কৰা ধৰণে নিৰ্দিষ্ট ৰায়দান প্ৰদান কৰা হয়-

*'১ আৰু ২ নং প্ৰতিবাদীয়ে নিজৰ বাহন সম্পত্তিৰ বাহিৰত এনেদৰে ৰখাত নিষেধাজ্ঞা আৰোপ কৰা হৈছে যাৰ ফলত চৌহদত, বিশেষকৈ গেৰেজত প্ৰৱেশ আৰু প্ৰস্থানত বাধাৰ সৃষ্টি হয়। বাদীয়ে প্ৰতিবাদী ১ আৰু ২ক গেৰেজৰ ভিতৰত এখন বা দুখন বাহন ৰখাবলৈ অনুমতি দিব লাগিব, কিন্তু সেই অনুমতি দিব গেৰেজ বন্ধ হোৱাৰ পিছত ৰাতিহে। ১ আৰু ২ নং প্ৰতিবাদীয়ে ৰাতিপুৱা গেৰেজ খোলাৰ আগতে নিজৰ বাহন গেৰেজৰ পৰা আঁতৰাই পেলাব লাগিব।'*

৭) আবেদনকাৰীসকলৰ বিদ্বান অধিবক্তা শ্ৰী ৰয়ে দাখিল কৰিছে যে প্ৰতিবাদী নং. ১ আৰু ২ ৰ কোনো ধৰণৰ নিষেধাজ্ঞা বিচৰাৰ কোনো অধিকাৰ নাই । তেওঁ আৰু যুক্তি দিছিল যে আদালতে প্ৰথমে প্ৰতিবাদীসকলে প্ৰাইমা ফেচি কেছ প্ৰতিষ্ঠা কৰিছে নে নাই সেই বিষয়ে সঠিকভাৱে বিবেচনা নকৰাকৈয়ে নিষেধাজ্ঞা মঞ্জুৰ কৰিছিল । তেওঁ লগতে কয় যে বৰ্তমানৰ নিষেধাজ্ঞা প্ৰদান কৰা আদেশ ২০২৪ চনৰ ১৬ ফেব্ৰুৱাৰীত জাৰি কৰা পূৰ্বৰ অস্থায়ী নিষেধাজ্ঞাৰ আদেশৰ সৈতে সংঘাতপূৰ্ণ ।

৮) আবেদনকাৰীৰ অধিবক্তাই ৩ জুন, ২০২৪ তাৰিখে প্ৰথম আপীল আদালতৰ দ্বাৰা জাৰি কৰা নিৰ্দেশক সমালোচনা কৰি যুক্তি দেখুৱাইছিল যে আদালতে বিচাৰ ন্যায়ালয়ৰ নিৰ্দেশ স্থগিত ৰখাৰ অনুৰোধ নাকচ কৰাৰ কোনো কাৰণ প্ৰদান কৰা নাই, যিটো দেৱানী কাৰ্য্যবিধিৰ আদেশ ৪১ নিয়ম ৫ ৰ অধীনত কৰা হৈছিল । আবেদনকাৰীৰ অধিবক্তা শ্ৰী ৰয়ে যুক্তি দেখুৱাইছিল যে এবাৰ আদালতে আপীলটো গ্ৰহণ কৰাৰ পিছত আপীল আদালত মূল নিৰ্দেশটো স্থগিত ৰাখিবলৈ বাধ্য হৈছিল। তেওঁৰ যুক্তিৰ সমৰ্থন কৰিবলৈ, শ্ৰী ৰয়ে মূল চান্দ যাদৱ আৰু অন্য এজন বনাম ৰাজা

বুলন্দ চেনি কোম্পানী লিমিটেড, ৰামপুৰ আৰু অন্যান্য গোচৰৰ উদ্ধৃতি দিছিল যিটো ১৯৮২ চনৰ উচ্চতম ন্যায়ালয়ৰ গোচৰৰ তৃতীয় খণ্ডত (এছচিচি)৪৮৪ পৃষ্ঠাৰ প্ৰতিবেদনত উল্লেখ কৰা হৈছিল। আপীল আদালতে স্থগিতাদেশ প্ৰদান কৰা উচিত আছিল বুলি যুক্তি সমৰ্থন কৰিবলৈ এই দৃষ্টান্ত ব্যৱহাৰ কৰা হৈছিল।

৯) ইয়াৰ বিপৰীতে, ১ আৰু ২ নং উত্তৰদাতাসকলৰ অধিবক্তা শ্ৰী ভূঁয়াই যুক্তি দেখুৱাইছিল যে আবেদনকাৰীসকলৰ দাবী যে তেওঁৰ মক্কেলসকলৰ কোনো অধিকাৰ নাছিল , সেইয়া পেপাৰ বুকৰ ৮৬ নং পৃষ্ঠাত সংলগ্ন এখন নথিপত্ৰৰ দ্বাৰা নাকচ কৰা হৈছে। এই দস্তাবেজে আবেদনকাৰী আৰু তেওঁৰ মক্কেলসকলৰ মাজত বাহন পাৰ্ক কৰা আৰু যান্ত্ৰিক কাম কৰাৰ অনুমতি দিয়া এক চুক্তিৰ ৰূপাঙ্কণ কৰে। তেওঁ লগতে যুক্তি দিছিল যে বিচাৰ আদালতৰ দ্বাৰা ২০২৪ চনৰ ২০ মে'ত জাৰি কৰা নিষেধাজ্ঞা যুক্তিসংগত। বিচাৰ আদালতে নিষেধাজ্ঞাৰ প্ৰাথমিকভাৱে) "তিনিটা সোণালী নীতি" গোচৰ, সুবিধাৰ ভাৰসাম্য, আৰু অপূৰণীয় ক্ষতিবিবেচনা কৰিছিল (বিশেষকৈ অপূৰণীয় ক্ষতি আৰু আঘাতৰ বিপদাশংকাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। তেওঁ দাবী কৰিছিল যে যদিও বিচাৰ আদালতে উত্তৰদাতা ১ আৰু ২ ক তেওঁলোকৰ বাহন পাৰ্ক কৰাৰ অনুমতি দিছিল , কিন্তু আবেদনকাৰীসকলে তেওঁলোকৰ গেৰেজ পৰিচালনা কৰাত কোনো সমস্যাৰ সন্মুখীন নহয় (বাদী) বুলি নিশ্চিত কৰিবলৈ নিৰ্দিষ্ট চৰ্ত আৰোপ কৰিছিল।

১০) ৩ জুন, ২০২৪ তাৰিখে প্ৰথম আপীল আদালতৰ দ্বাৰা জাৰি কৰা নিৰ্দেশৰ সন্দৰ্ভত উত্তৰদাতা ১ আৰু ২-ৰ অধিবক্তা গৰাকীয়ে যুক্তি দেখুৱাইছিল যে আদালতৰ আপীলটো পৰিচালনা কৰা, য'ত নিষেধাজ্ঞা অন্তৰ্ভুক্ত, প্ৰতিষ্ঠিত আইনী নীতিৰ সৈতে সংগতি ৰাখে। আদালতৰ নিৰ্দেশ প্ৰদান বা

অস্বীকাৰ কৰাৰ বিবেচনাৰ সৈতে জড়িত গোচৰবোৰত , আপীল আদালতে হস্তক্ষেপ কৰাৰ ক্ষেত্ৰত সতৰ্ক হ 'ব লাগে , যদিহে বিচাৰ আদালতে ব্যৱহাৰ কৰা বিবেচনা সম্পূৰ্ণৰূপে অযৌক্তিক বা অন্যায়পূৰ্ণ নহয়। শ্ৰী ভুঁয়াই লগতে উল্লেখ কৰে যে যিহেতু আদালতে আপীলটো গ্ৰহণ কৰিছে , সেয়েহে আবেদনকাৰীসকলে উত্থাপন কৰা বিষয়সমূহ এতিয়াও বিচাৰাধীন হৈ আছে আৰু যথাসময়ে তেওঁলোকৰ যোগ্যতাৰ ওপৰত ভিত্তি কৰি মূল্যায়ন কৰা হ'ব।

১১) দুয়োপক্ষৰ যুক্তিসমূহ পুংখানুপুংখভাৱে পৰ্যালোচনা কৰি গোচৰটোত দাখিল কৰা সকলো প্ৰমাণ ভালদৰে পৰীক্ষা কৰা হৈছে।

১২) আবেদনকাৰীসকলে যুক্তি দিয়ে যে উত্তৰদাতা ১ আৰু ২ -ৰ নিষেধাজ্ঞাৰ অনুৰোধ কৰাৰ কোনো অধিকাৰ নাই , কিন্তু গোচৰটোৰ ফাইলৰ ৮৬ নং পৃষ্ঠাত পোৱা ২১ /০৭/২০২৩ তাৰিখৰ এখন নথিপত্ৰৰ দ্বাৰা এই দাবী আপাতদৃষ্টিত বিৰোধী। যদিও আবেদনকাৰীৰ অধিবক্তা শ্ৰী ৰয়ে যুক্তি দাঙি ধৰে যে উত্তৰদাতা ১ আৰু ২-এ উল্লিখ কৰা চৰ্ত অনুসৰি ভাড়া পৰিশোধ কৰা নাই , আদালতে ইয়াক বিচাৰৰ সময়ত সমাধান কৰা বিষয় বুলি বিবেচনা কৰে , আৰু সেয়েহে , আদালতে এই পৰ্যায়ত মন্তব্য কৰাৰ পৰা বিৰত থাকে যাতে কোনো পক্ষৰ বিৰুদ্ধে কোনো পক্ষপাতিত্ব পৰিহাৰ কৰিব পাৰি।

১৩) ২০.০৫.২০২৪ তাৰিখৰ বিচাৰ আদালতৰ আদেশে প্ৰতিফলিত কৰে যে ই সকলো প্ৰাসংগিক তথ্য আৰু পৰিস্থিতি সযতনে বিবেচনা কৰিছিল, যিটো ইতিমধ্যে উল্লেখ কৰা কাৰ্য্যকৰী অংশটোৱে প্ৰমাণ কৰে।

১৪) আদালতে উত্তৰদাতা ১ আৰু ২-ক তাত এখন বা দুখন বাহন , কেৱল গেৰেজ বন্ধ হোৱাৰ সময়ৰ পিছতহে, পাৰ্ক কৰিবলৈ অনুমতি দি গেৰেজলৈ প্ৰৱেশ আৰু প্ৰস্থান বন্ধ কৰাৰ বিষয়ে আৰু গেৰেজ পুনৰ খোলাৰ আগতে তেওঁলোকে বাহনবোৰ আঁতৰোৱাটো নিশ্চিত কৰা কথাটোৰ সমাধান কৰাটো যুক্তিসংগত আৰু গ্ৰহণযোগ্য বুলি বিবেচনা কৰে। আদালতে লক্ষ্য কৰিছে যে উল্লিখিত নিৰ্দেশটোৰ বিৰুদ্ধে আবেদনকাৰীসকলৰ আবেদন এতিয়াও চূড়ান্ত সিদ্ধান্তৰ অপেক্ষাত আছে, আৰু কেৱল তেওঁলোকৰ স্থগিতাদেশৰ অনুৰোধ এতিয়ালৈকে নাকচ কৰা হৈছে।

১৫) আবেদনকাৰীৰ অধিবক্তা শ্ৰী ৰয়ে মূল চান্দ যাদৱৰ গোচৰৰ কথা ( ওপৰত উল্লেখ কৰা) উল্লেখ কৰিছিল, যি প্ৰতিষ্ঠা কৰে যে আবেদনৰ সময়ত এটা নিৰ্দেশ কেৱল তেতিয়াহে স্থগিত ৰাখিব লাগে যদিহে ই দেৱানী গোচৰত জড়িত পক্ষৰ আইনী অধিকাৰ বা স্বাৰ্থত গুৰুত্বপূৰ্ণ প্ৰভাব পেলায়। আদালতে বিশ্বাস কৰে যে বিচাৰ আদালতৰ নিৰ্দেশৰ তেনে কোনো প্ৰভাৱ নাই আৰু ইয়াৰ পৰিৱৰ্তে জড়িত দুয়োটা পক্ষৰ অধিকাৰ আৰু স্বাৰ্থৰ মাজত ন্যায্য ভাৱে ভাৰসাম্য বজাই ৰাখে।

১৬) এক আপীল আদালত নিষেধাজ্ঞা সম্পৰ্কীয় বিষয়সমূহ বিবেচনা কৰোঁতে সতৰ্ক আৰু সংৰক্ষিত হোৱা উচিত। ১৯৯০ চনৰ উচ্চতম ন্যায়ালয়ৰ গোচৰৰ সম্পূৰক (এছচিচি)৭২৭-ত প্ৰকাশিত ৱাণ্ডাৰ লিমিটেড বনাম এন্টোক্স ইণ্ডিয়া লিমিটেডৰ গোচৰত (পি) উচ্চতম ন্যায়ালয়ে এই বিষয়টোৰ সৈতে সম্পৰ্কিত নিৰ্দিষ্ট নীতি বা নিৰ্দেশনা প্ৰতিষ্ঠা কৰিছে।

*১৪) 'খণ্ড বিচাৰপীঠৰ সন্মুখত কৰা আপীলসমূহ এজনীয়া বিচাৰপীঠৰ বিবেচনাধীনতাৰ বিৰুদ্ধে আছিল। এই আপীলসমূহত, মূল বিবেচনাধীনতা স্বেচ্ছাচাৰী, অযুক্তিকৰ বা ভুল পদ্ধতিৰে ব্যৱহাৰ কৰা হৈছিল বুলি বা মূল আদালতে নিষেধাজ্ঞা প্ৰদান বা অস্বীকাৰ কৰাৰ বাবে প্ৰতিষ্ঠিত আইনী নীতিসমূহক আওকাণ কৰিছিল বুলি প্ৰমাণ নকৰালৈকে আপীল আদালতে মূল আদালতৰ বিবেচনাক নিজৰ বিবেচনাৰে সলনি নকৰে। বিবেচনাৰ ব্যৱহাৰক প্ৰত্যাহ্বান জনোৱা আপীলক বাস্তৱিক পুনৰ মূল্যায়নৰ পৰিৱৰ্তে আইনী নীতিৰ ওপৰত ভিত্তি কৰি কৰা আপীল বুলি গণ্য কৰা হয়। যদিহে মূল আদালতৰ সিদ্ধান্ত প্ৰমাণৰ ভিত্তিত যুক্তিসংগত আছিল তেন্তে আপীল আদালতে প্ৰমাণসমূহ পুনৰ পৰ্যালোচনা কৰি বেলেগ সিদ্ধান্তত উপনীত নহ 'ব। সাধাৰণতে আপীল আদালতে মূল আদালতৰ বিবেচনাধীন সিদ্ধান্তত হস্তক্ষেপ কৰা উচিত নহয় কেৱল এই কাৰণেই যে বিচাৰ আদালত হ'লে হয়তো বেলেগ সিদ্ধান্তত উপনীত হ'লহেঁতেন। যদি বিচাৰ আদালতে নিজৰ বিবেচনাক যুক্তিসংগতভাৱে আৰু ন্যায়িকভাৱে ব্যৱহাৰ কৰিছিল , তেন্তে আপীল আদালতে কেৱল এই কাৰণেই হস্তক্ষেপ কৰা উচিত নহয় যে ই হয়তো বেলেগ সিদ্ধান্তত উপনীত হ'লহেঁতেন....।'*

১৭) ৰামদেৱ ফুড প্ৰডাক্টছ (পি) লিমিটেড বনাম ড. অৰবিন্দভাই ৰামভাই পেটেল , যিটো গোচৰ (২০০৬) ৮ এছচিচি ৭২৬ত ৰিপৰ্ট কৰা কৰা হৈছে, সেই ক্ষেত্ৰত মাননীয় উচ্চতম ন্যায়ালয়ে তলত দিয়া ধৰণে ৰায় দিছে:

*'১২৫ - আমি স্বীকাৰ কৰোঁ যে সাধাৰণতে , আপীল আদালতে বিচাৰ আদালতে লোৱা বিবেচনাধীন সিদ্ধান্তত হস্তক্ষেপ কৰিবলৈ দ্বিধাবোধ কৰে।*

*১২৬- অন্তৰৰ্তীকালীন নিষেধাজ্ঞা প্ৰদান কৰাৰ সিদ্ধান্তত বিবেচনাৰ অনুশীলন জড়িত থাকে, আৰু ফলস্বৰূপে, আপীল আদালতে সাধাৰণতে এনে সিদ্ধান্তত হস্তক্ষেপ নকৰে। আপীল আদালতে বিচাৰ আদালতৰ বিবেচনাৰ ওপৰত গুৰুত্ব দিব পাৰে যদি তেওঁলোকে ভাবে যে ইয়াক এক স্বেচ্ছাচাৰী , অযৌক্তিক বা ভুল ধৰণে ব্যৱহাৰ কৰা হৈছিল , বা বিচাৰ আদালতে নিষেধাজ্ঞা প্ৰদান বা অস্বীকাৰ কৰাৰ বাবে প্ৰতিষ্ঠিত আইনী নীতিবোৰ উপেক্ষা কৰিছিল। কিছুমান চৰ্ত পূৰণ নকৰালৈকে বিবেচনামূলক সিদ্ধান্তত হস্তক্ষেপ নকৰাৰ এই নীতিটো পূৰ্বৰ গোচৰবোৰত আদালতে ধাৰাবাহিকভাৱে নিশ্চিত কৰি আহিছে।*

*১২৭- যদি বিচাৰ আদালতৰ সিদ্ধান্ত প্ৰমাণৰ ওপৰত ভিত্তি কৰি যুক্তিসঙ্গত আছিল তেন্তে আপীল আদালতে বেলেগ সিদ্ধান্তত উপনীত হ 'বলৈ প্ৰমাণ পুনৰ পৰ্যালোচনা কৰা উচিত নহয়। আপীল আদালত সাধাৰণতে বিচাৰ আদালতৰ বিবেচনামূলক সিদ্ধান্তত হস্তক্ষেপ কৰাটো ন্যায়সঙ্গত নহয় কাৰণ ই বিচাৰ আদালত হোৱাহেতেন বেলেগ সিদ্ধান্তত উপনীত হ'লহেতেন।'*

১৮) তদুপৰি, ভাৰতীয় সংবিধানৰ ২২৭ নং অনুচ্ছেদৰ অধীনত প্ৰদান কৰা ক্ষমতাসমূহ নিৰীক্ষণমূলক হ'ব লাগে, যাৰ জৰিয়তে অধীনস্থ আদালতৰ আদেশসমূহ সঠিক হোৱাটো নিশ্চিত কৰা হয় আৰু ই তেওঁলোকৰ আইনী কৰ্তৃত্ব অতিক্ৰম নকৰে। আদালতে বিশ্বাস কৰে যে স্থগিতাদেশৰ অনুৰোধ অস্বীকাৰ কৰাৰ বাবে প্ৰথম আপীল আদালতৰ সিদ্ধান্ত ইয়াৰ আইনী কৰ্তৃত্বৰ ভিতৰত আছিল , আৰু সেয়েহে, এই সিদ্ধান্তক প্ৰত্যাহ্বান জনোৱা পুনৰীক্ষণ আবেদন খাৰিজ কৰা হয়।

ন্যায়াধীশ

মোকাবিলা সহায়ক

অনুবাদ- শ্ৰী মৃণাল কুমাৰ ভট্টাচাৰ্য্য

জ্যেষ্ঠ অনুবাদক

গৌহাটী উচ্চ ন্যায়ালয়